**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
**Date :** 24-4-25

***Assamese Evening Bulletin***
***Headlines***

১। পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে।

২। পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত ভাৰতে আটাৰী সীমান্ত বন্ধ কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। ২০০২ চনত হোৱা গোধৰা ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে অহা মাহৰ ৬ আৰু ৭ তাৰিখে চূড়ান্ত শুনানি গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে।

৪। বিশ্ব টীকাকৰণ সপ্তাহৰ আজি প্ৰথম দিনা সৰু আই আৰু ৰুবেলা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বিশেষ ৰাষ্ট্ৰীয় অভিযান আৰম্ভ হৈছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে। সংসদ ভৱন চৌহদত এই বৈঠকৰ আয়োজন কৰা হৈছে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ডি এম কেৰ তিৰুচি শিৱা, এন চি পিৰ নেতা প্ৰফুল পেটেল, এন চি পি-এছ পিৰ সুপ্ৰিয়া সুলে, আম আদমী পাৰ্টীৰ সঞ্জয় সিং আদি নেতাসকলে অংশগ্ৰহণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাজনৈতিক দলসমূহৰ নেতাসকলক এই আক্ৰমণৰ বিষয়ে প্ৰকাশ কৰিব। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপসমূহৰ শেহতীয়া তথ্যও অৱগত কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ পহলগামত পৰহি সংঘটিত সন্ত্ৰাসবাদীৰ নিৰ্মম আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দি ইয়াক ভাৰতৰ আত্মাক আঘাত হনাৰ দুঃসাহস বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে বিহাৰৰ মধুবাণী জিলাত আয়োজিত এখন জনসভাত ভাষণ দি তেওঁ কয়, যে সন্ত্ৰাসবাদীবোৰে যতেই আত্মগোপন নকৰক কিয়, ভাৰতে তাৰপৰাই সিহঁতক বিচাৰি উলিয়াব। পহলগামৰ ঘটনাক নিন্দা কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত প্ৰতিটো সন্ত্ৰাসবাদীক চিনাক্ত কৰি বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহা

হ'ব বুলি তেওঁ সকীয়াই দিয়ে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে এনে ঘটনা সংঘটিত কৰা লোকসকল কল্পনা কৰিব নোৱাৰা ধৰণৰ প্ৰতিফলৰ সন্মুখীন হ'ব লাগিব। পহলগামৰ ঘটনাই সমগ্ৰ দেশকে ব্যথিত কৰি তুলিছে বুলি উল্লেখ কৰাৰ লগতে এই ঘটনাৰ বলি হোৱা প্ৰতিটো পৰিয়ালৰ প্ৰতি তেওঁ সহমৰ্মিতা প্ৰকাশ কৰে। সভাত ভাষণ দিয়াৰ পূৰ্বে সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁ কিছু সময় মৌনতা অৱলম্বন কৰে।

০০০০

পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত ভাৰতে আটাৰী সীমান্ত বন্ধ কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ অন্তৰ্গত পাঞ্জাবৰ অমৃতচৰৰ আটাৰী, ফিৰোজপুৰৰ হুছিয়ানিৱালা আৰু ফজিলকাৰ ছড়কিৰ ৰী-ট্ৰিট সমাৰোহ বন্ধ ৰখা হ'ব। এই সময়ছোৱাত ভাৰতৰ অংশৰ পথ বন্ধ ৰখা হ'ব। একে সময়তে সূৰ্যান্তৰ সময়ত ভাৰতীয় পতাকা নমাই দিয়াৰ পাছত পাকিস্তানৰ সৈন্যসকলৰ সৈতে কৰমৰ্দন কৰা নহ'ব। ইপিনে বিশ্ব প্ৰসিদ্ধ আটাৰী-ৱাঘা সংহত সীমান্তচকীৰ ৰী-ট্ৰিট সমাৰোহ চোৱাৰ বাবে আজি বিশ্বৰ বিভিন্ন পৰ্যটক এই অঞ্চলত গোট খায়। পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ ফলত এই সমাৰোহ বন্ধ কৰি দিয়াৰ বাবে পৰ্যটকসকলে দুখ প্ৰকাশ কৰাৰ লগতে এই ঘটনাত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

০০০০

পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছৰ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী কাইলৈ জম্মু-কাশ্মীৰলৈ যাব। সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি শ্ৰী দ্বিবেদীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰিব। সূত্ৰসমূহে লগতে কৈছে যে, স্থানীয় সেনাৰ জ্যেষ্ঠ কামাণ্ডাৰসকলে সেনা বাহিনীৰ মুৰব্বীগৰাকীক উপত্যকাটোৰ লগতে নিয়ন্ত্ৰণ ৰেখাত বাহিনীটোৱে গ্ৰহণ কৰা সন্ত্ৰাসবাদা বিৰোধী ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰাব।

০০০০

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰণৰ পাছত ভাৰতে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পাকিস্তানী নাগৰিকৰ বাবে প্ৰদান কৰা ভিছা বাতিল কৰিছে। চলিত মাহৰ ২৭ তাৰিখৰ পৰা পাকিস্তানী নাগৰিকৰ বাবে ভাৰতে ইতিপূৰ্বে প্ৰদান কৰা ভিছাসমূহৰ বৈধতা নাথাকিব। চিকিৎসাজনিত কাৰণত চুবুৰীয়া দেশখনৰ নাগৰিকৰ প্ৰতি ভাৰতে আগবঢ়োৱা ভিছাৰ ম্যাদ এই মাহৰ ২৯ তাৰিখলৈ বৈধ বুলি বিবেচিত হ'ব।

ভাৰতত থকা পাকিস্তানী নাগৰিকসকলে ভিছাৰ ম্যাদ উকলি যোৱাৰ আগতে দেশ এৰিব লাগিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰিছে। বিবৃতিটোত ভাৰতীয় নাগৰিকসকলকো পাকিস্তান ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে যিসকল ভাৰতীয় বৰ্তমান পাকিস্তানত আছে তেওঁলোককো শীঘ্ৰেই দেশলৈ উভতি আহিবলৈ আহ্বান জনাইছে।

০০০০

গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দুপৰীয়া ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। পহলগামত সন্ত্ৰাসবাদী আক্ৰমণ আৰু এই ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা কূটনৈতিক ব্যৱস্থাসমূহ সন্দৰ্ভত বৈঠক অনুষ্ঠিত হয়। ইপিনে, বৈদেশকি পৰিক্ৰমা মন্ত্ৰালয়ে নিৰ্বাচিত কেইখনমান

দেশৰ ৰাষ্ট্ৰদূতক পহলগামত হোৱা আক্ৰমণ সন্দৰ্ভত অৱগত কৰায়। জাৰ্মানী, জাপান, প'লেণ্ড, ব্ৰিটেইন আৰু ৰাছিয়াৰ ৰাষ্ট্ৰদূতসকলক এই আক্ৰমণৰ বিষয়ে অৱগত কৰোৱা হয়।

০০০০

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত যোৱা ২২ এপ্ৰিলত নিহত অৰুণাচল প্ৰদেশৰ নামনি শোৱণশিৰি জিলাৰ জিৰো চহৰৰ কৰপ'ৰেল টাগে হেইলিয়াঙৰ নশ্বৰ দেহ আজি পুৱা তেওঁৰ বাস ভৱনলৈ অনা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খান্দুৱে কয়, যে টাগে হেইলিয়াঙৰ মৃত্যু এক অপূৰণীয় ক্ষতি। অৰুণাচল প্ৰদেশৰ প্ৰতিগৰাকী লোকে প্ৰয়াত টাগেৰ শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী শ্ৰী খান্দুৱে মৃত টাগে হেইলিয়াঙৰ পৰিয়ালৰ এগৰাকী লোকক চৰকাৰী চাকৰি দিয়াৰ লগতে ৫০ লাখ টকাৰ সাহায্য প্ৰদানৰ ঘোষণা কৰিছে। প্ৰয়াত টাগেৰ ওপজা গাঁৱত তেওঁৰ স্মৰণত এটা স্মাৰক নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। কাইলৈ পুৱা সম্পূৰ্ণ সামৰিক সন্মানেৰে টাগেৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০

উচ্চতম ন্যায়ালয়ে ২০০২ চনত হোৱা গোধৰা ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত চৰকাৰ আৰু কেইবাজনো দোষীয়ে দাখিল কৰা আবেদন সন্দৰ্ভত অহা মাহৰ ৬ আৰু ৭ তাৰিখে চূড়ান্ত শুনানি গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু ৰাজেশ বিনদালৰ যুঁটীয়া বিচাৰপীঠে গুজৰাট চৰকাৰৰ লগতে কেইবাজনো দোষীয়ে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ২০০২ চনৰ গুজৰাটৰ গোধৰাত ফেব্ৰুৱাৰীত ৫৯ গৰাকী কৰসেৱক কঢ়িয়াই সবৰমতী এক্সপ্ৰেছ ৰে'লগাড়ীখনত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। এই ঘটনাৰ পাছত সমগ্ৰ গুজৰাটত সিংসাত্মক ঘটনাৰ সূত্ৰপাত হৈছিল।

০০০০

বিশ্ব টীকাকৰণ সপ্তাহৰ আজি প্ৰথম দিনা নতুন দিল্লীত সৰু আই আৰু ৰুবেলা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বিশেষ ৰাষ্ট্ৰীয় অভিযান আৰম্ভ হৈছে। ইয়াৰ জৰিয়তে ২০২৬ চনৰ ভিতৰত দেশত সৰু আই আৰু ৰুবেলা সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ভাৰ্চুৱেল ব্যৱস্থাৰে আজি এই অভিযানৰ শুভাৰম্ভ কৰি কয়, যে এই অভিযানৰ অধীনত শিশুসকলক সৰু আই আৰু ৰুবেলাৰ দুটাকৈ প্ৰতিযেধক প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তেওঁ কয়, যে চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা মাৰ্চলৈকে দেশৰ ৩৩২ খন জিলাত সৰু আই আৰু ৪৮৭ খন জিলাত ৰুবেলা সম্পূৰ্ণৰূপে নিৰ্মূল হোৱাৰ তথ্য লাভ কৰা গৈছে। জনসাধাৰণৰ অংশগ্ৰহণেৰে এই অভিযানৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাজহুৱা সভা-সমিতি আদি অনুষ্ঠিত কৰিবলৈ শ্ৰী নাড্ডাই ৰাজ্যসমূহৰ মন্ত্ৰীসকলৰ লগতে মুখ্য চিকিৎসা বিষয়াসকলৰ প্ৰতি আহ্বান জনাইছে।

০০০০

ছিকিম চৰকাৰে ৰাজ্যখনৰ আৰক্ষীৰ নিয়োগৰ ক্ষেত্ৰত ২০ শতাংশ অগ্নিবীৰ জোৱানসকলৰ বাবে সংৰক্ষণ কৰা হ'ব বুলি ঘোষণা কৰিছে। গেংটকত অনুষ্ঠিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে কয়, যে তেওঁৰ চৰকাৰে ৰাজ্যখনৰ আৰক্ষী বাহিনীত নিয়োগৰ ক্ষেত্ৰত বিভিন্ন শিতানত ১০ বছৰলৈ বয়সৰ সীমা ৰেহাই দিব। মুখ্যমন্ত্ৰী তামাঙে কয়, যে যদিহে কোনো সেনা জোৱানে ব্যৱসায়িক ক্ষেত্ৰত নিজক নিয়োজিত কৰিব খোজে তেন্তে ৰাজ্য চৰকাৰে তেওঁলোকৰ বাবে ব্যৱসায়িক বিপণীৰ অনুমোদন দিব।

০০০০

চলিতবর্ষত ভাৰতে আভ্যন্তৰীণ জলপথেৰে ১৪৫ মিলিয়ন টন সামগ্ৰী পৰিবহনৰ অভিলেখ ৰচনা কৰিছে। ২০১৪-১৫ বৰ্ষত দেশৰ ৰাষ্ট্ৰীয় জলপথেৰে সামগ্ৰী পৰিবহণৰ পৰিমাণ আছিল প্ৰায় ১৫ মিলিয়ন মেট্ৰিক টন। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মত, দেশৰ আভ্যন্তৰীণ জলপথৰ আনন্তঃগাঁথনি উন্নত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা বিভিন্ন নীতি, উদ্যম আৰু এই খণ্ডত বিনিয়োগ বৃদ্ধিৰ ফলতেই সামগ্ৰী পৰিবহণৰ এই বৃদ্ধি সম্ভৱ হৈছে। মন্ত্ৰ্যালয়ে লগতে কৈছে, যে দেশত ৰাষ্ট্ৰীয় জলপথৰ সংখ্যাও ২০১৪-১৫ বৰ্ষৰ ৫ৰ পৰা বৃদ্ধি হৈ ২০২৩-২৪ বৰ্ষত ১১১ হৈছে। চৰকাৰে ২০৩০ চনৰ ভিতৰত আভ্যন্তৰীণ জলপথেৰে সামগ্ৰী পৰিবহনৰ পৰিমাণ ২০০ মিলিয়ন টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে বুলি মন্ত্ৰ্যালয়ে লগতে প্ৰকাশ কৰিছে।

০০০০

যোৱা সোমবাৰে ইহলীলা সম্বৰণ কৰা পোপ ফ্ৰান্সিছৰ শেষ কৃত্য উপলক্ষে পৰহিলৈ ভাৰতত ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব। গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতিত কোৱা হৈছে যে, ভাৰতত যিসমূহ স্থানত নিয়মীয়াকৈ ত্ৰিৰংগা উৰুওৱা হয়, সেই স্থানসমূহত সেইদিনা পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব আৰু কোনো ধৰণৰ বিনোদনধৰ্মী কাৰ্যসূচীৰ আয়োজন কৰা নহ'ব। ইয়াৰ পূৰ্বে পোপ ফ্ৰান্সিছৰ মৃত্যুত কেন্দ্ৰীয় চৰকাৰে তিনিদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

০০০০

গাজা ভূ-খণ্ডৰ উত্তৰ অংশৰ জাবালিয়া বজাৰ এলেকাৰ এখন আৰক্ষী থানাত ইজৰাইলী এয়াৰ ষ্ট্ৰাইকৰ আক্ৰমণত ৯ গৰাকী পেলেষ্টাইনী নিহত হৈছে। এই আক্ৰমণত ব্যস্ত বজাৰ অঞ্চলটোত আন কেইবাগৰাকীও লোক আহত হয়। ইজৰাইলী সূত্ৰই জনোৱা মতে হামাছ আৰু ইছলামিক জেহাদীসকল এই আক্ৰমণৰ লক্ষ্য আছিল। ইজৰাইলে চলোৱা এই আক্ৰমণৰ ঘটনাত গাজা চহৰৰ এটা পৰিয়ালৰ ৬ গৰাকী সদস্য আৰু শিবিৰত আশ্ৰয় লৈ থকা ৫ গৰাকী লোককে ধৰি মুঠ ১৭ গৰাকী লোক নিহত হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে।

০০০০

সমাপ্ত